# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-10-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

১। হাৰিয়ানা আৰু জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচনৰ ভোটগণনা। জম্মু-কাশ্মীৰত নেচনেল কনফাৰেঞ্চ আৰু হাৰিয়ানাত কংগ্ৰেছৰ অগ্ৰগতি।

২। ৰাজ্যজুৰি দুৰ্গাপূজাৰ ব্যাপক প্ৰস্তুতি। বেদীত দেৱীৰ মৃণ্ময় মূৰ্তিত প্ৰাণ প্ৰতিষ্ঠাৰ বাবে সাজু পূজাস্থলী।

৩। দৰমহাৰ সুৰক্ষা, পদোন্নতিকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত কলেজ শিক্ষক সন্থাৰ প্ৰতিনিধিৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বৈঠক।

৪। নতুন দিল্লীত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান।

*আৰু*

৫। চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কাইলৈ ভাৰত বাংলাদেশৰ মুখামুখি।

০০০০০০০

জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাত শেহতীয়াকৈ অনুষ্ঠিত বিধানসভা নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হৈছে। পুৱা ৮ বজাৰ পৰা অনুষ্ঠিত ভোটগণনাত প্ৰথমে পোষ্টেল বেলটসমূহ গণনা কৰা হৈছে। প্ৰাৰম্ভিক পৰ্যায়ত জম্মু-কাশ্মীৰত নেচনেল কনফাৰেঞ্চে অগ্ৰগতি লাভ কৰাৰ লগতে হাৰিয়ানাত ২২ খন আসনত কংগ্ৰেছ আগবাঢ়ি আছে। একেদৰে হাৰিয়ানাত বিজেপিয়ে ১১ খন আসনত আৰু ভাৰতীয় লোক দলে দুখন আসনত আগবাঢ়ি আছে।

নিৰ্বাচন আয়োগে ভোটগণনাৰ ট্ৰেণ্ড আৰু ফলাফলসমূহ www.eci.gov.in ৱেবছাইটৰ জৰিয়তে প্ৰকাশ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগণনা সুৰক্ষিতভাৱে আৰু সুকলমে সম্পন্ন কৰিবলৈ ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে।

এই ভোটগণনাৰ জৰিয়তে জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হোৱা ৮৭৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰা হ'ব। কেন্দ্ৰীয় শাসিত অঞ্চলটোত ২৮টা কেন্দ্ৰত ভোটগণনা কৰি থকা হৈছে। ইয়াৰ ভিতৰত কাশ্মীৰত ১০টা কেন্দ্ৰত ভোটগণনা চলি আছে। জম্মু-কাশ্মীৰৰ ৯০ টা বিধানসভা সমষ্টিৰ বাবে ১৮ ছেপ্তেম্বৰ, ২৫ ছেপ্তেম্বৰ আৰু ১ অক্টোবৰত তিনিটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হৈছিল।

ইপিনে, হাৰিয়ানাত বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে ২২ খন জিলাত স্থাপন কৰা ৯০টা কেন্দ্ৰত ভোটগণনা চলি আছে। ৯০ জনীয়া হাৰিয়ানা বিধানসভাৰ বাবে ৫ অক্টোবৰত ভোটগ্ৰহণ কৰা হৈছিল। আজিৰ ভোটগণনাই ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হোৱা এহেজাৰ ৩১গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব।

০০০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যত ব্যাপক উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। যোৱা দুটা দিনত বতৰ কিছু ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। পূজা সমিতিসমূহে বিভিন্ন বিষয়বস্তুক আধাৰ হিচাপে লৈ পূজা মণ্ডপসমূহ আটকধুনীয়াকৈ সজাই-পৰাই তুলিছে। সমান্তৰালভাৱে বতৰ ফৰকাল হোৱাৰ লগে লগে মহানগৰীৰ বজাৰসমূহত বিশেষকৈ ফাঁচীবজাৰ, গণেশগুৰিত গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে। একেদৰে ৰাজ্যৰ অন্য প্ৰান্ততো শাৰদীয় দুৰ্গা পূজাৰ উৎসাহ-উদ্দীপনা তথা ব্যস্ততা দেখা গৈছে।

শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত কেইবাখনো দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে। ইয়াৰে শিৱসাগৰ নগৰৰ বাৰোৱাৰী পূজা সমিতিয়ে আয়োজন কৰা পূজাভাগীৰ মণ্ডপটোৱে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। পুৰণি অসমীয়া চলচ্চিত্ৰক বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা হৈছে এই পূজা মণ্ডপ। ইফালে চিৰাঙতো দুৰ্গা পূজাৰ ব্যাপক আয়োজন দেখা গৈছে। এইবেলি জিলাখনত ১২১ খন পূজা অনুষ্ঠিত হৈছে। নগাঁও জিলাতো উলহ-মালহেৰে দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে। জিলাখনৰ পূজাৰ আয়োজন সম্পৰ্কে বিশদভাৱে জনাইছে আমাৰ সংবাদদাতা মনীন্দ্ৰ শইকীয়াই-

**ভইচ কাষ্ট**

ইপিনে, প্ৰশাসনে দুৰ্গা পূজা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে পূজা সমিতিসমূহলৈ যাৱতীয় নীতি-নিৰ্দেশনা জাৰি কৰিছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে।

০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি জনতা ভৱনত অসম কলেজ শিক্ষক সন্থাৰ প্ৰতিনিধিৰ সৈতে এখন বৈঠকত মিলিত হয়। সভাত কলেজ শিক্ষকসকলৰ পদোন্নতি, দৰমহা সুৰক্ষা আৰু আন কেইবাটাও আনুসংগিক বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাৰ সময়ত কলেজ শিক্ষক সন্থাৰ প্ৰতিনিধিৰ দলটোৱে তেওঁলোকে বিগত সময়ত সন্মুখীন

হৈ অহা বিভিন্ন সমস্যাসমূহৰ বিষয়ে শিক্ষামন্ত্ৰীগৰাকীক অৱগত কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে এই সমস্যাসমূহৰ সমাধানৰ বাবে পৰ্যায়ক্ৰমে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে।

০০০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় বৰ্গৰ চতুৰ্থ আৰু পঞ্চম কাকতৰ পৰীক্ষাৰ বাবে অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ বাবে এলানি গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰা হৈছে। এই অনুসৰি প্ৰাৰ্থীসকলে আজিৰ পৰা ২২ অক্টোবৰ পৰ্যন্ত তেওঁলোকৰ অ' এম আৰ শ্বীট ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে চতুৰ্থ আৰু পঞ্চম দুয়োখন কাকতৰ অফিচিয়েল এনচাৰ কী কাইলৈ পুৱা ৬ বজাৰ পৰা পোৱা যাব। প্ৰাৰ্থীসকলে তেওঁলোকৰ উত্তৰ বহী পুনৰীক্ষণ কৰিবলৈ বিচাৰিলে কাইলৈৰ পৰা ১৮ অক্টোবৰৰ ভিতৰত আবেদন জনাব পাৰিব।

০০০০০০০০

চৰকাৰৰ মুৰব্বী হিচাপে ২৩ বছৰ সম্পূৰ্ণ কৰা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত বছৰবোৰৰ শিক্ষাই দেশক আগবঢ়াই নিয়াত অগ্ৰণী ভূমিকা লোৱাৰ ক্ষেত্ৰত তেওঁক সমৰ্থ কৰি তুলিছে বুলি মত প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এলানি পোষ্টত শ্ৰী মোদীয়ে জনসাধাৰণক তেওঁলোকৰ আশীৰ্বাদ আৰু শুভকামনাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে ২০০১ চনৰ ৭ অক্টোবৰত তেওঁ গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত ৰাজ্যখনে সন্মুখীন হোৱা ভালেমান প্ৰত্যাহ্বান সন্দৰ্ভতো তেওঁ আলোকপাত কৰে। মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ ১৩ বছৰীয়া কাৰ্যকালৰ সময়ত ৰাজ্যখনে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সমৃদ্ধিৰ হকে **সবকা ছাথ, সবকা বিকাশ**ৰ আদৰ্শৰ এটা উদ্ভাসিত উদাহৰণ হিচাপে বিবেচিত হৈছিল বুলিও শ্ৰী মোদীয়ে লগতে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকাল সন্দৰ্ভত শ্ৰী মোদীয়ে কয় যে বিগত দশকটোত দৰিদ্ৰতা নিৰ্মূল, অৰ্থনৈতিক উত্থান, ষ্টাৰ্টআপ পৰিৱেশ তন্ত্ৰ, মহিলা সৱলীকৰণ আদিকে ধৰি দেশে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ সমাধান কৰা হৈছে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰিব। এই উপলক্ষে বিশিষ্ট অভিনেতা মিথুন চক্ৰৱৰ্তীক ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হ'ব। কানাড়া ছবি কান্তাৰাত কৰা অনবদ্য অভিনয়ৰ বাবে ঋষভ ছেট্টিক শ্ৰেষ্ঠ অভিনেতাৰ বঁটাৰে সন্মানিত কৰা হ'ব। লগতে নিত্যা মেনেনক তামিল ছবি তিৰুচিত্ৰাম্বলমত আৰু মানসী পাৰেখক গুজৰাটী ছবি কাটছ্ এক্সপ্ৰেছত কৰা মননশীল অভিনয়ৰ বাবে যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হ'ব।

ইপিনে অনিৰুদ্ধ ভট্টাচাৰ্য আৰু পাৰ্থিৱ ধৰে ৰচনা কৰা Kishore Kumar: The Ultimate Biography গ্ৰন্থখনক চলচ্চিত্ৰ ক্ষেত্ৰৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ হিচাপে পুৰস্কৃত কৰা হ'ব। এইবেলি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত সৰ্বশ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে মালায়লম চলচ্চিত্ৰ অট্টমক আৰু তথ্য চিত্ৰ শিতানত সৰ্বশ্ৰেষ্ঠ হিচাপে আয়েনাক নিৰ্বাচন কৰা হৈছে। উঁচায়ি চলচ্চিত্ৰখনৰ বাবে সুৰজ বৰজাত্যক শ্ৰেষ্ঠ পৰিচালক হিচাপে সন্মানিত কৰা হ'ব। সংগীত শিতানত অৰিজিত সিং আৰু বোম্বে জয়শ্ৰীক ক্ৰমে শ্ৰেষ্ঠ পুৰুষ আৰু মহিলা নেপথ্য কণ্ঠশিল্পী বঁটা প্ৰদান কৰা হ'ব। আনহাতে, কুলনন্দিনী মহন্ত পৰিচালিত অসমীয়া চিনেমা এমুঠি পুথিকে ধৰি পুনিয়ান ছেলভন-১, কে জিএফ-২, ব্ৰহ্মাস্ত্ৰ, অপৰাজিত, কাবেৰী, অন্তৰ্ধান, দমন আৰু বাঘি দি ধি চলচ্চিত্ৰকেইখনকো বিশেষ বঁটাৰে পুৰস্কৃত কৰা হ'ব।

০০০০০

যোৱা ২ অক্টোবৰৰ পৰা চলি থকা বন্যপ্ৰাণী সপ্তাহৰ আজি সামৰণি পৰিব। আজিৰ বিষয়বস্তু হৈছে- **সহাৱস্থানৰ জৰিয়তে মানৱ-সৰ্পৰ সংঘাত প্ৰশমন**। প্ৰাকৃতিক স্থানলৈ মানুহৰ বসতি সম্প্ৰসাৰিত হোৱাৰ ফলত সাপৰ সৈতে মুখামুখিৰ ঘটনা বৃদ্ধি পাইছে। সাপে কীট-পতংগ নিয়ন্ত্ৰণ কৰি ভাৰসাম্য বজাই ৰাখি পৰিৱেশতন্ত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিলেও মানুহ আৰু সাপৰ সংঘাত প্ৰায়েই দেখিবলৈ পোৱা যায়। সেয়ে সাপৰ সুৰক্ষা আৰু সংৰক্ষণৰ লগতে কিদৰে সহাৱস্থান কৰিব পাৰি, এই বিষয়ে সচেতনতা সৃষ্টি কৰাটো অতি প্ৰয়োজনীয় হৈ উঠিছে।

০০০০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহা নামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসমূহৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাছুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

০০০০০০০০

মহিলা আৰু শিশু বিকাশ বিভাগ মাজুলীৰ উদ্যোগত কালি **বেটী বাচাও, বেটী পঢ়াও** আঁচনিৰ অধীনত আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস ২০২৪ৰ ১০ দিনীয়া কাৰ্যসূচীৰ অংশৰূপে মাজুলী আউনীআটি হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত **কেৰিয়াৰ ডেভেলপমেণ্ট ঃ ছফ্‌ট স্কিল এণ্ড কনফিডেন্স বুইল্ডিং** শীৰ্ষক এখন সভা অনুষ্ঠিত হয়। সভাত সমল ব্যক্তি আৰু বহু ছাত্ৰী উপস্থিত থাকে।

০০০০০০

ভাৰতীয় পুৰুষ ক্ৰিকেট দলটো চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কাইলৈ বাংলাদেশৰ মুখামুখি হ'ব। খেলখন নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটো ইতিমধ্যে তিনিখন খেলৰ শৃংখলাত ১-০ ফলাফলেৰে আগবাঢ়ি আছে। দেওবাৰে অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে আলহী দলটোৰ বিৰুদ্ধে ৭ উইকেটত বিজয় সাব্যস্ত কৰিছিল।

০০০০০

অসম মটৰ বাহন কৰ (সংশোধিত) অধ্যাদেশ, ২০২৩ অনুসৰি এতিয়াৰেপৰা নতুন গাড়ী ক্ৰয় কৰাৰ সময়ত গ্ৰাহকে জি এছ টি আৰোপিত মূল্যৰ ওপৰত কৰ পৰিশোধ কৰিব লাগিব। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে 'ব্যাপক হাৰত বৃদ্ধি পৰিবহণ কৰ' শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্যত ট্ৰাইবেল বেল্ট বৃদ্ধিৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰে কেবিনেট সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যত ট্ৰাইবেল বেল্ট ব্লকৰ সংখ্যা বৰ্তমানৰ ৪৭ৰ পৰা ৪৪৭ বা ইয়াতকৈও অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা থকাৰ বাতৰিটো **আমাৰ অসম** কাকতে 'ৰাজ্যত ৪৪৭ লৈ বৃদ্ধি পাব ট্ৰাইবেল বেল্ট' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

মাইক্ৰ' আৰ এন এ আৰু জিন নিয়ন্ত্ৰণত ইয়াৰ ভূমিকাৰ বিষয়ে কৰা আৱিষ্কাৰৰ বাবে ২০২৪ চনৰ মেডিচিনৰ ন'বেল বঁটা আমেৰিকাৰ ভিক্টৰ এম্বৰ'ছ আৰু গেৰী ৰুভকুনলৈ আগবঢ়োৱাৰ বাতৰিটো **দৈনিক অসম, দৈনিক জনমভূমি, অসমীয়া খবৰ**কে আদি কৰি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰেক্ষাগৃহত আয়োজিত এখন সমাৰোহত শিক্ষা আৰু স্বাস্থ্য বিভাগৰ মুঠ ৩৮৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে '৫ বছৰ নিযুক্তিৰ স্বৰ্ণিল যুগ' শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ভাৰত-বাংলাদেশ সীমান্তৰ সিপাৰে যোৱা আগষ্ট-ছেপ্তেম্বৰ মাহত সীমান্ত নিৰাপত্তা ৰক্ষী বাহিনীৰ প্ৰায় ১১০ জন অনুপ্ৰৱেশকাৰীক সীমাৰ সিপাৰে ঠেলি পঠিওৱাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে 'Over 110 infiltrators pushed back from state' শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফলো কৰিব পাৰে।

০০০০০

**সমাপ্ত**